<u>অধ্যায়-১৬</u>

যথাবিহিত পৰিশোধ, ধাৰক আৰু যথাবিহিত ধাৰক
(PAYMENT IN DUE COURSE, HOLDER AND HOLDR IN DUE COURSE)

যথাবিহিত পৰিশোধ (Payment in due course) **ঃ**

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ১০ নং ধাৰা অনুসৰি "সম্প্ৰদেয় পত্ৰৰ প্ৰকাশ্য অভিপ্ৰায় অনুসৰি, সদ্‌বিশ্বাস আৰু হেমাহিবিহীনভাৱে আৰু যাক আদায় দিয়া হৈছে তেওঁৰ গৰাকীস্বত্ব সম্পৰ্কে সন্দেহৰ যুক্তিৰ অৱকাশ নোহোৱাকৈ ইয়াৰ ধাৰকক মূল্য আদায় দিলে, তাক যথাবিহিত পৰিশোধ বোলে।"

আইনী সুৰক্ষা পাবলৈ, পৰিশোধকাৰী বেংকে যথাবিহিত পৰিশোধ কৰিব লাগিব।

যথাবিহিত পৰিশোধৰ অত্যাৱশ্যকীয় বৈশিষ্ট্যসমূহ (Essential features of payment in due course) ঃ

যথাবিহিত পৰিশোধৰ অত্যাৱশ্যকীয়/প্ৰয়োজনীয় বিশেষত্বসমূহ তলত উল্লেখ কৰা হ'ল ঃ

১। **সম্প্ৰদেয় পত্ৰৰ প্ৰকাশ্য অভিপ্ৰায়** (Apparent tenor of the instrument) ঃ

সম্প্ৰদেয় পত্ৰৰ প্ৰকাশ্য অভিপ্ৰায় অনুসৰি ইয়াক পৰিশোধ কৰিব লাগে। অৰ্থাৎ এই পত্ৰৰ লিখিত প্ৰকৃত ভাৰৰ ওপৰত ভিত্তি কৰি বা নিৰ্দেশ অনুসৰি ধাৰকক ইয়াৰ মূল্য আদায় দিব লাগিব। ভৱিষ্যতৰ তাৰিখ থকা চেক নিৰ্দিষ্ট তাৰিখৰ পূৰ্বে আদায় দিলে, নতুবা ৰেখাংকিত চেক বেংকে হাতে হাতে আদায় দিলে, ইয়াৰ প্ৰকাশ্য অভিপ্ৰায় উলংঘা কৰা হয়। গতিকে এনেকুৱা পৰিশোধৰ কাৰ্যক যথাবিহিত পৰিশোধ বুলিব নোৱাৰি।

উদাহৰণ— যদি এজন আৰ্হতাই /লিখকে ভৱিষ্যত তাৰিখ থকা এখন চেক লিখে, তেওঁৰ অভিপ্ৰায়

হ'ল নিৰ্দিষ্ট তাৰিখৰ পিছত পৰিশোধ কৰা। সেয়েহে ভৱিষ্যত তাৰিখ থকা চেক এখন নিৰ্দিষ্ট তাৰিখৰ পূৰ্বে আদায় দিলে পৰিশোধকাৰী বেংকে সুৰক্ষা দাবী কৰিব নোৱাৰে।

২। **সৎ বিশ্বাসেৰে আৰু অৱহেলা অবিহনে পৰিশোধ** (Payment in good faith and without negligence) **ঃ**

সৎ বিশ্বাসেৰে আৰু অৱহেলা অবিহনে বা হেমাহিবিহীনভাৱে ইয়াৰ টকা আদায় দিলেহে ই যথাবিহিত পৰিশোধ হ'ব। পৰিশোধকাৰী বেংকে নিশ্চিত কৰিব লাগিব যে সকলো পৃষ্ঠাংকণ নিয়মীয়াকৈ কৰা হৈছে। যদি অৱহেলা/হেমাহি প্ৰমাণিত হয়, পৰিশোধকাৰী বেংকে ৮৫ নং ধাৰাৰ অধীনত প্ৰদান কৰা বিধিবদ্ধ সুৰক্ষা হেৰোৱাব।

উদাহৰণ ঃ

(ক) ম্যাদ শেষ হোৱাৰ আগতে ভৱিষ্যত তাৰিখ থকা চেক এখন পৰিশোধ কৰা।

(খ) ৰেখাংকিত চেক এখন বেংকৰ কাউণ্টাৰত পৰিশোধ কৰা।

(গ) পৃষ্ঠাংকণৰ নিয়মীয়তা প্ৰমাণিত কৰাত ব্যৰ্থতা।

৩। পৰিশোধ গ্ৰহণ কৰাৰ অধিকাৰ থকা ব্যক্তি এজনক পৰিশোধ (Payment to a person who is entitled to receive the payment) ঃ পৰিশোধকাৰী বেংকে কেৱল সম্প্ৰদেয় দলীলখন দখলত থকা আৰু সম্প্ৰদেয় পত্ৰৰ ধনৰ পৰিমাণ গ্ৰহণ কৰাৰ অধিকাৰ থকা ব্যক্তিজনক হে পৰিশোধ কৰিব লাগে।

ধাৰকৰ অৰ্থ (MEANING OF HOLDER) ঃ

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ৮ নং ধাৰা অনুসৰি 'প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ (বা বিল) বা চেকৰ ধাৰক এনে এজন ব্যক্তি, যিয়ে নিজৰ নামত ইয়াক ধাৰণ কৰে (অধিকাৰী হয়) আৰু ইয়াৰ আনপক্ষৰ পৰা সেই পত্ৰৰ টকা পাব বা আদায় কৰা ক্ষমতা পায়।"

নিম্নলিখিত চৰ্তবোৰ পূৰণ হ'লে ব্যক্তি এজনক সম্প্ৰদেয় পত্ৰৰ ধাৰক বুলি কোৱা হয় ঃ

(ক) ধাৰক হবলৈ হ'লে ব্যক্তিজনে সম্প্ৰদেয় পত্ৰখন ৰাখিবলৈ নিজ নামত বিহিত অধিকাৰপ্ৰাপ্ত হ'ব লাগিব।

(খ) ধাৰকে সেই সম্প্ৰদেয় পত্ৰৰ মূল্য তাৰ লগত জড়িত আন পক্ষৰ পৰা পাবলৈ বা আদায় কৰিবলৈ/ পুনৰুদ্ধাৰ কৰিবলৈ নিজ নামত অধিকাৰী হ'ব লাগিব।

যথাবিহিত ধাৰকৰ অৰ্থ (MEANING OF HOLDER IN DUE COURSE) ঃ

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ৯ নং ধাৰা অনুসৰি 'যথাবিহিত ধাৰক হৈছে এজন ব্যক্তি, যিয়ে প্ৰতিদানৰ বিনিময়ত কোনো প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ বা চেক আদায়যোগ্য হোৱাৰ পূৰ্বে বাহক পত্ৰ হ'লে তাৰ ধাৰক আৰু আদেশী পত্ৰ হ'লে তাৰ প্ৰাপক, পৃষ্ঠাংকণগ্ৰহীতা হয় আৰু তেওঁ যাৰ পৰা অধিকাৰ পাইছে তাৰ গৰাকীস্বত্ব ত্ৰুটিমুক্ত বুলি সন্দেহ কৰাৰ যথেষ্ট অৱকাশ নাথাকে।"

যথাবিহিত ধাৰক হবলৈ হ'লে কিছুমান চৰ্ত পূৰণ কৰিব লাগিব। সেইবোৰ হৈছে ঃ

(ক) হস্তান্তৰযোগ্য পত্ৰখন যথাবিহিত ধাৰকৰ দখলত থাকিব লাগিব।

(খ) হস্তান্তৰযোগ্য পত্ৰখন সকলো দিশতে নিয়মীয়া আৰু সম্পূৰ্ণ হব লাগিব।

(গ) হস্তান্তৰযোগ্য পত্ৰখন মূল্যৱান প্ৰতিদানৰ বাবে অৰ্থাৎ সম্পূৰ্ণ মূল্য পৰিশোধ কৰি গ্ৰহণ কৰিব লাগিব।

(ঘ) হস্তান্তৰযোগ্য পত্ৰখনত উল্লেখ কৰা ধনৰ পৰিমাণ পৰিশোধযোগ্য /পৰিশোধ কৰাৰ পূৰ্বে হস্তান্তৰযোগ্য পত্ৰখন পাব লাগিব।

(ঙ) যথাবিহিত ধাৰকে হস্তান্তৰকাৰীৰ স্বত্বত যিকোনো ত্ৰুটি আছে বুলি বিশ্বাস কৰাৰ পৰ্য্যাপ্ত কাৰণ নোহোৱাকৈ হস্তান্তৰযোগ্য পত্ৰখন পাব লাগিব।

——

ধাৰক আৰু যথাবিহিত ধাৰকৰ মাজত পাৰ্থক্য

(Differences between Holder and Holder in Due Course) ঃ

আধাৰ	ধাৰক	যথাবিহিত ধাৰক
১। প্ৰতিদান	ধাৰকৰ ক্ষেত্ৰত প্ৰতিদানৰ অস্তিত্ব অত্যাৱশ্যকীয় নহয়।	যথাবিহিত ধাৰকৰ ক্ষেত্ৰত প্ৰতিদানৰ অস্তিত্ব অপৰিহাৰ্য।
২। উদাহৰণ	যদি কোনো দাতব্য ন্যাসক উপহাৰ বা দান হিচাপে চেক এখন জাৰি কৰা হয়, (তেতিয়া) দাতব্য ন্যাসটো ইয়াৰ ধাৰক হব।	যদি এখন বিদ্যালয় বা মহাবিদ্যালয়ক টিউচন মাচুল হিচাপে চেক এখন জাৰি কৰা হয়, বিদ্যালয় বা মহাবিদ্যালয়খন ইয়াৰ যথাবিহিত ধাৰক হব।
৩। দখল	ধাৰকৰ ক্ষেত্ৰত প্ৰকৃত অধিকাৰ বা হস্তান্তৰযোগ্য পত্ৰখন আহৰণ কৰিব লগা কোনো সময়সীমাৰ প্ৰয়োজন নাই।	যথাবিহিত ধাৰক বুলি কোৱাৰ অধিকাৰ থকা ব্যক্তিজনে পৰিশোধযোগ্য হোৱাৰ আগতে হস্তান্তৰযোগ্য পত্ৰখনৰ অধিকাৰী হ'ব লাগিব।
৪। হস্তান্তৰকাৰীতকৈ ভালস্বত্ব	এজন ধাৰকে হস্তান্তৰকাৰীতকৈ ভাল স্বত্ব (সকলো ত্ৰুটিৰ পৰা মুক্ত) লাভ কৰিব নোৱাৰে।	এজন যথাবিহিত ধাৰকে হস্তান্তৰকাৰীতকৈ ভাল স্বত্ব লাভ কৰিব পাৰে।
৫। হস্তান্তৰগ্ৰহীতাৰ বাবে ভাল স্বত্ব	এজন ধাৰকে পৰৱৰ্তী হস্তান্তৰ গ্ৰহীতালৈ এটা ভাল স্বত্ব হস্তান্তৰ কৰিব নোৱাৰে।	যথাবিহিত ধাৰকে পৰৱৰ্তী হস্তান্তৰ গ্ৰহীতালৈ এটি ভাল স্বত্ব হস্তান্তৰ কৰিব পাৰে।

যথাবিহিত ধাৰকৰ অধিকাৰ আৰু বিশেষাধিকাৰ

(Rights and privileges of a holder in due course) ঃ

যথাবিহিত ধাৰকে নিম্নলিখিত অধিকাৰ আৰু বিশেষাধিকাৰবোৰ উপভোগ কৰে।

১। **ভাল স্বত্ব** (Better title) ঃ এজন যথাবিহিত ধাৰকে সকলো ত্ৰুটিৰ পৰা মুক্ত ভাল স্বত্ব লাভ কৰে। তেওঁ সদায় তেওঁৰ হস্তান্তৰকাৰী বা আগৰ যিকোনো পক্ষতকৈ হস্তান্তৰযোগ্য পত্ৰখনৰ ওপৰত এটা ভাল স্বত্ব লাভ কৰে।

২। পূৰ্বৰ ত্ৰুটিবোৰ নিকা কৰা (Purging of prior defects)ঃ

পূৰ্বৰৱৰ্তী পৃষ্ঠাংকণকাৰীবোৰৰ ত্ৰুটিপূৰ্ণ স্বত্বই যথাবিহিত ধাৰকৰ অধিকাৰৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব নোৱাৰে।

৩। ভাল স্বত্ব হস্তান্তৰ (Transfer of better title)ঃ হস্তান্তৰযোগ্য পত্ৰখন যথাবিহিত ধাৰকৰ হাতেৰে পাৰ হোৱাৰ পিছত, তেওঁ আনক এটা ভাল স্বত্ব দিব পাৰে।

৪। যথাবিহিত ধাৰকৰ বাবে পূৰ্বৰৱৰ্তী পক্ষৰ দায়বদ্ধতা (Liability of prior parties to holder in due course) ঃ যেতিয়ালৈকে হস্তান্তৰযোগ্য পত্ৰখন যথাযথভাৱে পৰিশোধ কৰা নহয়, সেই হস্তান্তৰযোগ্য পত্ৰখনৰ প্ৰতিটো পক্ষ, অৰ্থাৎ ইয়াৰ প্ৰস্তুতকাৰক বা আৰ্হতা বা গ্ৰহণকাৰী বা পৃষ্ঠাংকণকাৰী যথাবিহিত ধাৰকৰ ওচৰত দায়বদ্ধ থাকিব।

৫। হস্তান্তৰযোগ্য পত্ৰৰ মূল বৈধতা অস্বীকাৰ কৰাৰ বিপৰীতে বাধা/ প্ৰতিবন্ধক (Estoppels against denying original validity of instrument) ঃ

হস্তান্তৰযোগ্য পত্ৰখন প্ৰস্তুত কৰা সময়তেই বৈধ নাছিল বুলি দাবী কৰি যথাবিহিত ধাৰকক ইয়াৰ পৰিশোধ নকৰাকৈ থাকিব নোৱাৰিব। আন কথাত, আনকি হস্তান্তৰযোগ্য পত্ৰ এখনৰ আৰ্হতা বা লিখক বা গ্ৰহণকাৰীয়েও যথাবিহিত ধাৰকৰ বিৰুদ্ধে পত্ৰখনৰ অবৈধতা দাবী কৰিব নোৱাৰে।

৬। প্ৰাপকৰ পৃষ্ঠাংকণ কৰাৰ ক্ষমতা অস্বীকাৰ কৰাৰ বিপৰীতে প্ৰতিবন্ধক (Estoppel against denying capacity of payee to endorse) ঃ

প্ৰাপকৰ পৃষ্ঠাংকণ কৰাৰ কোনো ক্ষমতা নাই বুলি কৈ যথাবিহিত ধাৰকৰ দাবী অস্বীকাৰ কৰিব নোৱাৰি।

৭। পূৰ্বৰৱৰ্তী পক্ষৰ স্বাক্ষৰ বা ক্ষমতা অস্বীকাৰ কৰাৰ বিপৰীতে প্ৰতিবন্ধক (Estoppel against denying signatures or capacity of prior party) ঃ যথাবিহিত ধাৰকে মোকৰ্দমা তৰিলে, এখন হস্তান্তৰযোগ্য পত্ৰৰ পৃষ্ঠাংকণকাৰী এজনক পত্ৰখনৰ পূৰ্বৰৱৰ্তী পক্ষসমূহৰ চহী বা ক্ষমতা অস্বীকাৰ কৰাৰ অনুমতি দিয়া নহয়।

৮। ভুৱা বিলৰ ক্ষেত্ৰত অধিকাৰ (Right in case of fictitous bills) ঃ যদি এজন কাল্পনিক নামৰ (ভুৱা) ব্যক্তিৰ হৈ বিনিময় পত্ৰ এখন প্ৰস্তুত কৰা হয় আৰু তেওঁৰ আদেশমতে পৰিশোধযোগ্য হয়, তেনে কাল্পনিক নামৰ বাবে স্বীকৃতিদাতা যথাবিহিত ধাৰকৰ ওচৰত দায়বদ্ধ হ'ব/ দায়ী থাকে।

——

সাৰাংশ

- **যথাবিহিত পৰিশোধ—**

  ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ১০ নং ধাৰা অনুসৰি "সম্প্ৰদেয় পত্ৰৰ প্ৰকাশ্য অভিপ্ৰায় অনুসৰি, সদ্‌বিশ্বাস আৰু হেমাহিবিহীনভাৱে আৰু যাক আদায় দিয়া হৈছে তেওঁৰ গৰাকীস্বত্ব সম্পৰ্কে সন্দেহৰ যুক্তিৰ অৱকাশ নোহোৱাকৈ ইয়াৰ ধাৰকক মূল্য আদায় দিলে, তাক যথাবিহিত পৰিশোধ বোলে।"

- **যথাবিহিত পৰিশোধৰ অত্যাৱশ্যকীয় বৈশিষ্ট্যসমূহ—** ১। সম্প্ৰদেয় পত্ৰৰ প্ৰকাশ্য অভিপ্ৰায়, ২। সৎ বিশ্বাসেৰে আৰু অৱহেলা অবিহনে পৰিশোধ, ৩। পৰিশোধ গ্ৰহণ কৰাৰ অধিকাৰ থকা ব্যক্তি এজনক পৰিশোধ।

- **ধাৰকৰ অৰ্থ—**

  ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ৮ নং ধাৰা অনুসৰি 'প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ (বা বিল) বা চেকৰ ধাৰক এনে এজন ব্যক্তি, যিয়ে নিজৰ নামত ইয়াক ধাৰণ কৰে (অধিকাৰী হয়) আৰু ইয়াৰ আনপক্ষৰ পৰা সেই পত্ৰৰ টকা পাব বা আদায় কৰা ক্ষমতা পায়।"

- **যথাবিহিত ধাৰকৰ অৰ্থ—**

  ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ৯ নং ধাৰা অনুসৰি 'যথাবিহিত ধাৰক হৈছে এজন ব্যক্তি, যিয়ে প্ৰতিদানৰ বিনিময়ত কোনো প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ বা চেক আদায়যোগ্য হোৱাৰ পূৰ্বে বাহক পত্ৰ হ'লে তাৰ ধাৰক আৰু আদেশী পত্ৰ হ'লে তাৰ প্ৰাপক, পৃষ্ঠাংকণগ্ৰহীতা হয় আৰু তেওঁ যাৰ পৰা অধিকাৰ পাইছে তাৰ গৰাকীস্বত্ব ত্ৰুটিমুক্ত বুলি সন্দেহ কৰাৰ যথেষ্ট অৱকাশ নাথাকে।"

- **যথাবিহিত ধাৰকৰ অধিকাৰ আৰু বিশেষাধিকাৰ—** ১। ভাল স্বত্ব, ২। পূৰ্বৰ ত্ৰুটিবোৰ নিকা কৰা, ৩। ভাল স্বত্ব হস্তান্তৰ, ৪। যথাবিহিত ধাৰকৰ বাবে পূৰ্বৱৰ্তী পক্ষৰ দায়বদ্ধতা, ৫। হস্তান্তৰযোগ্য পত্ৰৰ মূল বৈধতা অস্বীকাৰ কৰাৰ বিপৰীতে বাধা/ প্ৰতিবন্ধক, ৬। প্ৰাপকৰ পৃষ্ঠাংকণ কৰাৰ ক্ষমতা অস্বীকাৰ কৰাৰ বিপৰীতে প্ৰতিবন্ধক, ৭। পূৰ্বৱৰ্তী পক্ষৰ স্বাক্ষৰ বা ক্ষমতা অস্বীকাৰ কৰাৰ বিপৰীতে প্ৰতিবন্ধক, ৮। ভুৱা বিলৰ ক্ষেত্ৰত অধিকাৰ।

——

গোট-৫

প্ৰশ্নাৱলী

ক) **অতি চমু উত্তৰৰ প্ৰশ্ন ঃ**

প্ৰতিটোত ১ নম্বৰ

(i) শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(১) হস্তান্তৰযোগ্য দলীল আইন কোন চনত প্ৰণয়ন কৰা হৈছিল?

(ক) ১৮৮০ (খ) ১৮৮১ (গ) ১৮৮২ (ঘ) ১৮৮৩

(২) পৰম্পৰা আৰু ব্যৱহাৰ অনুসৰি নিম্নলিখিত কোনখন হস্তান্তৰযোগ্য দলীল?

(ক) প্ৰতিশ্ৰুতিপত্ৰ (খ) বিনিময় বিল (গ) চেক (ঘ) অংশ অধিপত্ৰ

(৩) হস্তান্তৰযোগ্য দলীলৰ ক্ষেত্ৰত নিম্নলিখিত কোনজন ব্যক্তিয়ে সাধাৰণতে ভাল স্বত্ব লাভ কৰে?

(ক) যথা বিহিত ধাৰক (খ) ভুৱা দলীলৰ ধাৰক (গ) হেৰোৱা দলীলৰ ধাৰক

(ঘ) হেৰোৱা দলীল পোৱা ব্যক্তি।

(৪) নিম্ন লিখিত কোনটো পৃষ্ঠাংকণ বৈধ্য নহয়?

(ক) চৰ্ত সাপেক্ষ (খ) গুণগত পৃষ্ঠাংকণ (গ) আংশিক পৃষ্ঠাংকণ (ঘ) নিষেধক পৃষ্ঠাংকণ

(ii) খালী ঠাই পূৰণ কৰা—

(১) প্ৰতিশ্ৰুতিপত্ৰত .... পক্ষ থাকে।

(২) চেকত .... পক্ষ থাকে।

(৩) বিনিময় বিলত .... পক্ষ থাকে।

(৪) বাহক চেক এখন ....ৰ দ্বাৰা হস্তান্তৰ কৰিব পাৰি।

(৫) আদেশী চেক এখন পৃষ্ঠাংকণ আৰু ....ৰ দ্বাৰা হস্তান্তৰ কৰিব পাৰি।

(iii) শুদ্ধ নে অশুদ্ধ লিখা—

(১) হস্তান্তৰযোগ্য দলীলসমূহ মুক্তভাৱে হস্তান্তৰযোগ্য।

(২) এজন ধাৰকে এখন চেক ৰেখাংকন কৰিব পাৰে।

(৩) বিশেষ ৰেখাংকনৰ বাবে দুটা অথালি-পথালি ৰেখাৰ প্ৰয়োজন নাই।

(৪) চেকত স্বীকৃতিৰ প্ৰয়োজন আছে।

(৫) এখন প্ৰতিশ্ৰুতিপত্ৰ ৰেখাংকিত কৰিব পাৰি।

খ) **চমু উত্তৰ দিয়া ঃ**

প্ৰতিটোত ২ নম্বৰ

(১) হস্তান্তৰযোগ্য দলীল কাক বোলে?

(২) প্ৰতিশ্ৰুতিপত্ৰ কাক বোলে?

(৩) বিনিময় বিল কাক বোলে?

(৪) চেক কাক বোলে?

(৫) প্ৰতিশ্ৰুতিপত্ৰৰ পক্ষসমূহ কোন কোন?

(৬) বিনিময় বিলৰ পক্ষসমূহ কোন কোন?

(৭) চেকৰ পক্ষসমূহ কোন কোন?

(৮) হস্তান্তৰযোগ্য দলীলৰ দুটা বৈশিষ্ট্য লিখা।

(৯) প্ৰতিশ্ৰুতিপত্ৰৰ দুটা বৈশিষ্ট্য লিখা।

(১০) বিনিময় বিলৰ দুটা বৈশিষ্ট্য লিখা।

(১১) চেকৰ দুটা বৈশিষ্ট্য লিখা।

(১২) প্ৰতিশ্ৰুতিপত্ৰৰ নমুনা অংকন কৰা।

(১৩) বিনিময় বিলৰ নমুনা অংকন কৰা।

(১৪) চেকৰ নমুনা অংকন কৰা।

(১৫) প্ৰতিশ্ৰুতিপত্ৰ আৰু বিনিময় বিলৰ মাজত দুটা পাৰ্থক্য লিখা।

(১৬) প্ৰতিশ্ৰুতিপত্ৰ আৰু চেকৰ মাজত দুটা পাৰ্থক্য লিখা।

(১৭) বিনিময় বিল আৰু চেকৰ মাজত দুটা পাৰ্থক্য লিখা।

(১৮) বাহক চেক কাক বোলে?

(১৯) আদেশী চেক কাক বোলে?

(২০) মুকলি চেক কাক বোলে?

(২১) ৰেখাংকিত চেক কাক বোলে?

(২২) বাহক চেক আৰু আদেশী চেকৰ মাজত দুটা পাৰ্থক্য লিখা।

(২৩) বাহক চেক আৰু ৰেখংকিত চেকৰ মাজত দুটা পাৰ্থক্য লিখা।

(২৪) চেকৰ ৰেখাংকন কাক বোলে?

(২৫) সাধাৰণ ৰেখাংকন কাক বোলে?

(২৬) বিশেষ ৰেখাংকন কাক বোলে?

(২৭) প্ৰাপকৰ হিচাবত ৰেখাংকন কাক বোলে?

(২৮) অসম্প্ৰদেয় ৰেখাংকন কাক বোলে?

(২৯) সাধাৰণ ৰেখাংকনৰ দুটা অত্যাৱশ্যকীয় উপাদান লিখা।

(৩০) বিশেষ ৰেখাংকনৰ দুটা অত্যাৱশ্যকীয় উপাদান লিখা।

(৩১) সাধাৰণ ৰেখাংকনৰ দুটা তাৎপৰ্য লিখা।

(৩২) বিশেষ ৰেখাংকনৰ দুটা তাৎপৰ্য লিখা।

(৩৩) পৃষ্ঠাংকণ কাক বোলে?

(৩৪) পৃষ্ঠাংকণৰ দুটা তাৎপৰ্য লিখা।

(৩৫) পৃষ্ঠাংকণৰ যিকোনো দুটা প্ৰকাৰ উল্লেখ কৰা।

(৩৬) যথা বিহিত পৰিশোধ কাক বোলে

(৩৭) যথা বিহিত পৰিশোধৰ দুটা বৈশিষ্ট্য লিখা।

(৩৮) ধাৰক কাক বোলে?

(৩৯) যথা বিহিত ধাৰক কাক বোলে?

(৪০) কোনে পৃষ্ঠাংকণ কৰিব পাৰে?

(৪১) কোনে চেক ৰেখাংকন কৰিব পাৰে?

গ) **দীঘলীয়া উত্তৰৰ প্ৰশ্ন (প্ৰকাৰ-১)** ঃ

প্ৰতিটোত ৫ নম্বৰ

(১) হস্তান্তৰযোগ্য পত্ৰৰ অত্যাৱশ্যকীয় বৈশিষ্ট্যসমূহ কি কি?

(২) হস্তান্তৰযোগ্য পত্ৰৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

(৩) প্ৰতিশ্ৰুতিপত্ৰ আৰু বিনিময় বিলৰ মাজত পাৰ্থক্য দেখুওৱা।

(৪) প্ৰতিশ্ৰুতিপত্ৰ আৰু চেকৰ মাজত পাৰ্থক্য দেখুওৱা।

(৫) বিনিময় বিল আৰু চেকৰ মাজত পাৰ্থক্য দেখুওৱা।

(৬) চেকৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

(৭) সাধাৰণৰ ৰেখাংকনৰ তাৎপৰ্যসমূহ কি কি?

(৮) বিশেষ ৰেখাংকনৰ তাৎপৰ্যসমূহ কি কি?

(৯) অসম্প্ৰদেয় ৰেখাংকনৰ তাৎপৰ্যসমূহ কি কি?

(১০) প্ৰাপকৰ হিচাবত ৰেখাংকনৰ তাৎপৰ্যসমূহ কি কি?

(১১) বৈধ পৃষ্ঠাংকণৰ অত্যাৱশ্যকীয়সমূহ কি কি?

(১২) পৃষ্ঠাংকণৰ তাৎপৰ্যসমূহ কি কি?

(১৩) যথা বিহিত পৰিশোধৰ অত্যাৱশ্যকীয় বৈশিষ্ট্যসমূহ কি কি?

(১৪) ধাৰক আৰু যথা বিহিত ধাৰকৰ মাজত পাৰ্থক্য দেখুওৱা।

ঘ) **দীঘলীয়া উত্তৰৰ প্ৰশ্ন (প্ৰকাৰ-২) ঃ**

প্ৰতিটোত ৮ নম্বৰ

(১) বিভিন্ন প্ৰকাৰৰ ৰেখাংকনসমূহ আলোচনা কৰা।

(২) বিভিন্ন প্ৰকাৰৰ পৃষ্ঠাংকনসমূহ আলোচনা কৰা।

(৩) যথা বিহিত ধাৰকৰ সুবিধাসমূহ বৰ্ণনা কৰা।

——